# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 14-12-2025
**Time :** 1715 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

১। নলবাৰী জিলাৰ ৮০ গৰাকী শিক্ষাৰ্থীৰ মাজত ড° বাণীকান্ত কাকতি মেধা বঁটা বিতৰণ।

২। ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱত পৰহিলৈ জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান।

৩। আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী দগৰ চন্দ্ৰ ৰাভাৰ গুৱাহাটীৰ নিজা বাসভৱনত দেহাৱসান।

*আৰু*

৪। ধৰমশালাত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল।

০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি নলবাৰী জিলাত ৮০ গৰাকী শিক্ষাৰ্থীৰ মাজত ড° বাণীকান্ত কাকতি মেধা বঁটা বিতৰণ কৰে। নলবাৰী জিলা পুথিভড়াল প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানতে মাধ্যমিক শিক্ষা পৰিষদৰ অধীনৰ ১৭৬ গৰাকী শিক্ষকক নিযুক্তি পত্ৰও প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে শিক্ষকসকলক বিদ্যালয়ৰ স্বাৰ্থত কাম কৰি যাবলৈ আহ্বান জনায়। চৰকাৰী শিক্ষা ব্যৱস্থাৰ প্ৰচলিত ধাৰণাক মষিমুৰ কৰি পৰিৱৰ্তন সাধনৰ বাবে শিক্ষকসকল আগবাঢ়ি অহাৰ হকে মন্ত্ৰীগৰাকীয়ে মত পোষণ কৰে। শ্ৰীমল্ল বৰুৱাই ২০ৰ পৰা ২৫ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে এজনকৈ মেণ্টৰ শিক্ষক নিয়োগ কৰি ঘৰুৱাভাৱেও ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশৰ বুজ লোৱাৰ বাবে পদক্ষেপ ল'বলৈ বিদ্যালয়সমূহক আহ্বান জনায়। একেটা অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ৬৫ গৰাকী জীৱিকা সখীক সখী এক্সপ্ৰেছৰ অধীনত স্কুটি বিতৰণ কৰে। শ্ৰীমল্ল বৰুৱাই গ্ৰামাঞ্চলৰ সখীসকলৰ দৰে নগৰাঞ্চলৰ জীৱিকা সখীসকলকো শীঘ্ৰেই স্কুটী প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে।

*-বাইট-*

আজিৰ অনুষ্ঠানত নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু পৌৰসভাৰ অধ্যক্ষকে ধৰি কেইবাটাও বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

নগাঁও জিলা প্ৰশাসনে পৰহিলৈ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো গাঁৱত উচ্ছেদ চলাব। চালনাবাৰী গাঁৱৰ ভেৰভেৰি বিলৰ পৰা মাগুৰমাৰী বিললৈকে এই উচ্ছেদ চলিব। ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই ইতিমধ্যে উচ্ছেদ চলাবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰিছে। উল্লেখযোগ্য যে, একাংশ মীনপালকে টুকটুকি, আহোমগাঁও, কটগুৰি, ৰৌমাৰী বিল, মৈৰাধবজ গাঁৱত থকা প্ৰাকৃতিক পানীৰ সুঁতি ৰুদ্ধ কৰি অবৈধভাৱে পুখুৰী বান্ধ নিৰ্মাণ কৰিছে। যাৰ ফলত পানীৰ চলাচল বন্ধ হৈ যোৱাত গাঁওবাসীয়ে সমস্যাৰ সন্মুখীন হৈছে। প্ৰাকৃতিক পানীৰ সুঁতি পুনৰ উজ্জীৱিত কৰাৰ লক্ষ্যৰে ১৬ ডিচেম্বৰত এই অঞ্চলসমূহত উচ্ছেদ চলিব বুলি চক্ৰ বিষয়া সৌৰভ কুমাৰে জানিবলৈ দিছে।

০০০০০০০

বজালী জিলাৰ বাঘমাৰাত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম হাইস্কুল শিক্ষক সন্থাৰ ৪৫ সংখ্যক অধিৱেশনৰ আজি সামৰণি পৰিব। আজি সামৰণিৰ দিনা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে। বাঘমাৰাৰ ৰাজপথত বিভিন্ন জাতি-জনগোষ্ঠীৰ সাজ-পাৰ পৰিধানেৰে বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজে অংশ লয়। মন্ত্ৰী শ্ৰীদাসে এই অধিৱেশন সাফল্যমণ্ডিত কৰাৰ বাবে সকলোকে ধন্যবাদ জনোৱাৰ লগতে হাইস্কুল শিক্ষক সন্থাৰ সভাপতিকে ধৰি নৱনিৰ্বাচিত বিষয়াসকলক শুভেচ্ছা জনায়।

***-বাইট-***

০০০০০০০

টীয়ক প্ৰেছ ক্লাবৰ উদ্যোগত আজিৰে পৰা টীয়ক হাইস্কুল খেলপথাৰত দ্বিতীয় বাৰ্ষিক টীয়ক গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। ৭ দিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থমেলাখন জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি উৎসৰ্গিত কৰা হৈছে। ৰাজ্যৰ কেইবাটাও আগশাৰীৰ পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থাই অংশগ্ৰহণ কৰা টীয়ক গ্ৰন্থমেলাৰ আজি পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পন, গছপুলি ৰোপন আদি কাৰ্যসূচীৰ পিছতে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। পুৱাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননীগোপাল গোস্বামীয়ে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা গ্ৰন্থমেলাখনৰ গ্ৰন্থ বিপনীৰ দ্বাৰ উন্মোচন কৰে কাকজান মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অকন চন্দ্ৰ শইকীয়াই।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী দগৰ চন্দ্ৰ ৰাভাৰ আজি গুৱাহাটীৰ আৰ্যনগৰ ভাস্কৰ নগৰৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণীৰ বিভিন্ন কেন্দ্ৰত সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰা ৰাভা এগৰাকী প্ৰকৃত জ্ঞানপিপাসু ব্যক্তি আছিল। তেওঁৰ ব্যক্তিগত পুঁথিভঁৰালত সাহিত্য, সংস্কৃতি, ইতিহাস, আধ্যাত্মিক, সমালোচনা আদি বিভিন্ন বিষয়ৰ অসমীয়া, ইংৰাজী, বাংলা, হিন্দী, ৰাভা আৰু বড়ো ভাষাকে ধৰি বিভিন্ন ভাষাৰ কেইবা হাজাৰ গ্ৰন্থই স্থান পাইছে। ৰাভাৰ মৃত্যুত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে গভীৰ শোকপ্ৰকাশ কৰিছে।

০০০০০০০

কোকৰাঝাৰৰ ঘুগুঝোৰা দ্বিতীয় খণ্ডৰ চাহ বাগানৰ পৰ্বতঝোৰাত আজি এটা বনহস্তীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। বন বিভাগৰ লোকে ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক অনুসন্ধান আৰম্ভ কৰিছে। বন বিভাগে জানিবলৈ দিয়া অনুসৰি খাদ্যত বিষক্ৰীয়া হৈ হাতীটোৰ মৃত্যু হৈছে। ইতিমধ্যে বন বিভাগ আৰু আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

০০০০০০০

বৰপেটাৰ সৰভোগৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান বাডচ একাডেমীৰ উদ্যোগত আজি পঞ্চম বাৰ্ষিক সদৌ অসম ভিত্তিক ভট্টদেৱ স্মাৰক কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ সোঁৱৰণত আয়োজন কৰা প্ৰতিযোগিতাখনত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। জ্যেষ্ঠ কুইজ পৰিচালক দীপাংকৰ কৌশিকে পৰিচালনা কৰা প্ৰতিযোগিতাখনত ভট্টদেৱৰ লগতে জুবিন গাৰ্গ বিষয়টো বিশেষ ৰাউণ্ড অনুষ্ঠিত হয়। প্ৰতিযোগিতাত পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীৰ ছাত্ৰ কৃতাৰ্থ কাকতি আৰু প্ৰিন্স উজীৰে প্ৰথম স্থান, ঘগ্ৰাপাৰৰ শংকৰদেৱ শিশু নিকেতনৰ হিমলীনা বৰুৱা আৰু মনজিষ্ঠা কুমাৰে দ্বিতীয় স্থান লাভ কৰে। নুনমাটি অসম জাতীয় বিদ্যালয়ৰ প্ৰিয়াংশু শৰ্মা আৰু গুৰুকুল গ্ৰামাৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ ত্ৰিনাভ কাশ্যৰ দলে প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰে।

০০০০০০০

অসম বৈদিক বৈষ্ণৱ মহাসভাৰ অন্তৰ্গত অসম বৈদিক মহিলা সভা আৰু অসম বৈদিক যুৱ মহাসভাৰ উদ্যোগত ধেমাজিত চলি থকা শিশু, যুৱ আৰু মহিলা সমাৰোহৰ আজি সামৰণি পৰে। উত্তৰ ধেমাজীৰ শান্তিপুৰস্থিত শ্ৰীশ্ৰীবেলগুৰি সত্ৰত কালিৰে পৰা আৰম্ভ হোৱা সমাৰোহখনৰ আজি পুৱাৰ ভাগত গোপিনীসকলৰ দ্বাৰা ঘোষা পাঠ, শৰাই স্থাপন, নাম প্ৰসংগ অনুষ্ঠিত হয়। তাৰ পিছতে মুকলি সভা অনুষ্ঠিত হয়। মৰিধল মহাবিদ্যালয়ৰ অধ্যক্ষ ডং দ্বীপেন কুমাৰ শইকীয়াই উদ্বোধন কৰা মুকলি সভাত বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ মুনিন্দ্ৰ নাৰায়ণ দেৱগোস্বামীয়ে আদৰণি ভাষণ আগবঢ়ায়। সভাত ধেমাজি জিলাৰ উন্নয়ন আয়ুক্ত দেবেশ্বৰ বৰা, বৈদিক বৈষ্ণৱ মহাসভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰনাথ কোঁৱৰৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

সমাৰোহৰ প্ৰথম দিনাৰ কাৰ্যসূচীত শিশুৰ বৌদ্ধিক আৰু নৈতিক উৎকৰ্ষ সাধনত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা আৰু সাম্প্ৰতিক সময়ত শিশু, যুৱ, আই মাতৃসকলৰ আধ্যাত্মিক চিন্তা চেতনাৰ প্ৰয়োজনীয়তা শীৰ্ষক দুখনি গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ অনুষ্ঠিত হয়।

০০০০০০০

বৰপেটা আৰক্ষীয়ে আজি বৰপেটাত এখন চুৰি ডাম্পাৰসহ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ তথ্য অনুসৰি কালি মেঘালয়ৰ পুৱ খাছি পাহাৰ জিলাৰ শ্বেলা আৰক্ষী থানাৰ অধীনৰ এখন ঠাইৰ পৰা ডাম্পাৰখন চুৰি হৈছিল। ডাম্পাৰ চুৰি ঘটনাৰ লগত গ্ৰেপ্তাৰ হোৱা লোক দুজন হৈছে টোফেজ আলী আৰু প্ৰীতম বিশ্বাস। দুয়োজনকে আজি মেঘালয় আৰক্ষীক হস্তান্তৰ কৰা হ'ব বুলি বৰপেটা আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি তৃতীয়খন খেল ধৰমশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছোচিয়েন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। পাঁচখনীয়া এই শৃংখলাত দুয়োটা দলে বৰ্তমান ১-১ত সমতা স্থাপন কৰি আছে। শৃংখলাৰ চতুৰ্থখন খেল অহা বুধবাৰে লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিম খেলখন অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**